# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 24-11-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

----------------------------

ন্যায়াধীশ সূৰ্য কান্তে আজি দেশৰ ৫৩ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা ন্যায়াধীশ অনুষ্ঠানত ন্যায়াধীশগৰাকীক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। মুখ্য ন্যায়াধীশ বি আৰ গাভাইৰ কাৰ্যকাল কালি সামৰণি পৰাৰ পাছত ন্যায়াধীশ সূৰ্য কান্তে দায়িত্বভাৰ গ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ লগতে ভালে সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মুখ্য ন্যায়াধীশগৰাকীয়ে প্ৰায় ১৫ মাহ কাৰ্যনিৰ্বাহ কৰিব আৰু ২০২৭ চনৰ ৯ ফেব্ৰুৱাৰীত তেওঁৰ কাৰ্যকালৰ অন্ত পৰিব। যোৱা ৩০ অক্টোবৰত ন্যায়াধীশ কান্তক দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছিল।

00000000

অসম বিধানসভাৰ শীতকালীন অধিৱেশন কাইলৈ আৰম্ভ হ'ব। এই উপলক্ষে কালি এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। বৈঠকত সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু তথ্য আৰু জনসংযোগ মন্ত্ৰী পীযূষ হাজৰিকাই চৰকাৰী পক্ষৰ হৈ অংশ লয়। বৈঠকত শাসক-বিৰোধীয়ে কেইবাটাও বিষয়ত আলোকপাত কৰে। প্ৰাপ্ত তথ্য অনুসৰি এইবাৰ শীতকালীন অধিৱেশনত ১০ খন বিধেয়ক উত্থাপনৰ বাবে তালিকাভুক্ত হৈছে।

২৯ নৱেম্বৰলৈ চলিবলগীয়া এই অধিৱেশনত মুঠ ৫টা কৰ্মদিন থাকিব। কাইলৈ বিগত অধিৱেশনৰ পৰৱৰ্তী কালত দেহাৱসান ঘটা প্ৰাক্তন সদস্য আৰু ৰাজ্য তথা দেশৰ বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰা হ'ব। লগতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শীতকালীন অধিৱেশনৰ বাবে কাৰ্যসূচী উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল কৰিব। ২৮ নৱেম্বৰৰ দিনটো ব্যক্তিগত সদস্যৰ কাৰ্যক্ৰমণিকাৰ বাবে ৰখা হৈছে। অধিৱেশনৰ কেউটাদিনতে প্ৰশ্নোত্তৰ কাল থাকিব। আমাৰ বিশেষ সংবাদদাতাই জনোৱা মতে অসম মন্ত্ৰীসভাই লোৱা সিদ্ধান্ত অনুসৰি ১৯৮৩ চনত নেলীত সংঘটিত গণহত্যাৰ তদন্ত কৰা ত্ৰিভূৱন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদন এইবাৰৰ অধিৱেশনত দাখিল কৰা হ'ব। তদুপৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ প্ৰসংগ, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আৰু সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পৰিয়ালৰ পাকিস্তান সংযোগ বিষয়ক প্ৰসংগই এইবাৰৰ অধিৱেশনত বিশেষ গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা আছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অধিৱেশনৰ দিনকেইটাত নিশা ৯ বাজি ১৫ মিনিটৰ পৰা **বিধানসভাত আজিৰ দিনটো** প্ৰচাৰ কৰিব।

00000000

ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ কাম আৰম্ভ হৈছে। বুথ পৰ্যায়ৰ বিষয়াসকলে ইতিমধ্যে ঘৰে ঘৰে গৈ প্ৰতিগৰাকী ভোটাৰৰ তথ্য সংগ্ৰহ কৰিছে।  ২০ ডিচেম্বৰলৈকে ভোটাৰৰ তথ্য সংগ্ৰহ কৰা হ'ব। ২০২৬ চনৰ ১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হোৱা তথা যোগ্য ভোটাৰৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰা হ'ব।

**দৰং জিলা**ত ইয়াৰ বাবে ৮৬৪ গৰাকী বুথ পৰ্যায়ৰ বিষয়া আৰু ৮৪ গৰাকী পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। **বৰপেটা জিলা**তো বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ ভোটাৰৰ তথ্য পৰীক্ষা কৰিছে। জিলাখনত ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ কামকাজ সন্দৰ্ভত বৰপেটা সমষ্টিৰ নিৰ্বাচনী পঞ্জীয়ন বিষয়া বিদ্যুৎ কুমাৰ দাসে আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়-

*(বাইট ঃ বিদ্যুৎ কুমাৰ দাস)*

০০০০০০০

আজি লাচিত দিৱস। শৰাইঘাটৰ যুদ্ধত মোগলৰ বিৰুদ্ধে পৰাক্ৰমেৰে যুঁজি অসম আৰু অসমীয়া জাতিক ৰক্ষা কৰা বীৰ লাচিত বৰফুকনক সুঁৱৰি প্ৰতিবছৰে ২৪ নৱেম্বৰত তেওঁৰ জয়ন্তী লাচিত দিৱস হিচাপে পালন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বীৰ পুৰুষজনাৰ ৪০৩ সংখ্যক জয়ন্তীত ৰাজ্যবাসীলৈ ওলগ জনাইছে। এই উপলক্ষে ৰাজ্য চৰকাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু যোৰহাট জিলা প্ৰশাসনৰ সহযোগত কেন্দ্ৰীয়ভাৱে 'বীৰ লাচিত দিৱস' পালনৰ আয়োজন কৰা হৈছে। যোৰহাট জিলাৰ হোলোঙাপাৰৰ লাচিত মৈদামত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সভাত যোৰহাট কাকজান মহাবিদ্যালয়ৰ অধ্যাপক তোফেল জিলানী নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কামৰূপ মহানগৰ জিলাৰ ক্ষেত্ৰীত আজি ইজৰাইলৰ ৰাষ্ট্ৰদূত ৰিঅ'ভেন আজাৰৰ উপস্থিতিত **ইণ্ডো-ইজৰাইল চেণ্টাৰ অব এক্সেলেন্স ফৰ ভিজিটেবলছ** শীৰ্ষক কেন্দ্ৰটো উদ্বোধন কৰিব। অসম ৰাজ্যিক উদ্যান শস্য অভিযানৰ অধীনত ভাৰত-ইজৰাইল কৃষি প্ৰকল্প অৰ্থাৎ আই আই এ পিৰ অংশীদাৰিত্বৰে এই কেন্দ্ৰটো স্থাপন কৰা হৈছে। অত্যাধুনিক প্ৰযুক্তিৰ সুবিধাৰে সুসজ্জিত এই কেন্দ্ৰটোৰ জৰিয়তে বাণিজ্যিক মূল্য থকা শস্যৰ উৎপাদনত গুৰুত্ব আৰোপ কৰা হৈছে। তদুপৰি বছৰজোৰা খেতিৰ বাবে কৌশলগত পৰিকল্পনাৰে কৃষকসকলক উপকৃত কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০০

**সমাপ্ত**